**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ আজি অসম আগমন। কেইবাটাও প্ৰকল্প উদ্বোধনৰ কথা।

২। বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰীৰ বছৰজোৰা বিশেষ স্মৃতিচাৰণ অনুষ্ঠানৰ শুভাৰম্ভ।

৩। ন্যায়াধীশ কৌশিক গোস্বামীৰ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপত গ্ৰহণ অনুষ্ঠান।

৪। নৱেম্বৰ-ডিচেম্বৰৰ ভিতৰত সকলো বিভাগৰ নিযুক্তি প্ৰক্ৰিয়া সমাপ্ত কৰাৰ ঘোষণা মুখ্যমন্ত্ৰীৰ।

*আৰু*

৫। নাগাৰা নামৰ অন্যতম শিল্পী ৰামচৰণ ভড়ালীৰ দেহাৱসান।

০০০০০০

দুদিনীয়া অসম ভ্ৰমণসূচীৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি গুৱাহাটীত উপস্থিত হ'ব। সন্ধিয়া তেওঁ উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৰে অৰ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট প্ৰকল্পটো ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। সকলো বতৰতে কাৰ্যক্ষম হৈ থাকিব পৰা প্ৰকল্পটোত ছহেজাৰ ৮০০ বৰ্গ মিটাৰ এলেকাজুৰি ফেৰী টাৰ্মিনেলৰ ব্যৱস্থা আছে। ডলফিনৰ আৰ্হিত নিৰ্মিত টাৰ্মিনেল আৰু ঘাটটোত ১০০ জনকৈ যাত্ৰী কঢ়িওৱা ৪ খন কাটামাৰাণ জাহাজ ৰখাব পৰাকৈ ১২০ মিটাৰ দৈৰ্ঘ্যৰ পণ্টুন আছে। যাত্ৰীসকলৰ সুবিধাৰ্থে বিশ্বমানৰ টাৰ্মিনেল ভৱনটোত ই-টিকেটিঙৰ ব্যৱস্থা থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ইপিনে, ব্ৰহ্মপুত্ৰৰ পাৰত সতী ৰাধিকা শান্তি উদ্যান প্ৰকল্পটো ৩২৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। নতুন আয়ুক্ত ভৱনৰ পৰা কাছাৰী ঘাটলৈ ১ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উদ্যানখন নিৰ্মাণ কৰা হৈছে। উদ্যানখনত খোজকঢ়াৰ বাবে বিশেষ পথ, চাইকেল ট্ৰেক আৰু বহাৰ বাবে বিশেষ ব্যৱস্থা সংলগ্ন কৰা হৈছে। শিশুসকলে খেল-ধেমালি কৰাৰ বাবে উদ্যানখনত বিশেষ ব্যৱস্থা থকাৰ উপৰি মুকলিভাৱে শৰীৰ চৰ্চা কৰাৰো ব্যৱস্থা ৰখা হৈছে। উদ্যানখনত চাৰিটা ব্যৱসায়িক ভৱন আৰু অসম বিষয়বস্তু সম্বলিত ৭ খনকৈ প্ৰৱেশদ্বাৰ ৰখা হৈছে। উদ্যানখনত নদীৰ পাৰ খহনীয়া প্ৰতিৰোধৰ বাবেও বিশেষ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে আজি জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰিব। প্ৰকল্পস্থলীত আয়োজিত এটা অনুষ্ঠানত বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰায় ৩০০ গৰাকী যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনে –

ভইচকাষ্ট

শ্ৰীমতী সীতাৰমণৰ আগমনৰ পূৰ্বে কালি মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিমল বৰাই প্ৰকল্পস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। তেওঁলোকে লগতে ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ মুখ্য কাৰ্যবাহী অভিযন্তাৰ সৈতে বিদ্যুৎ, পানীযোগান, নিৰাপত্তা আদি বিভিন্ন বিষয়ত আলোচনা কৰে। অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে

উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এই বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত ব্যৱহাৰ হ'বলগীয়া অমৃত কলহ কঢ়িয়াই নিয়া বাহনৰ শুভাৰম্ভ কৰে। বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখা ২৭০টা অমৃত কলহ গহপুৰলৈ লৈ যোৱা হৈছে। উল্লেখযোগ্য যে 'মোৰ মাটি, মোৰ দেশ' কাৰ্যসূচীৰ অংশ হিচাপে ২০২৩ বৰ্ষৰ ২০ ছেপ্তেম্বৰৰ পৰা ৰাজ্যত অমৃত কলহ যাত্ৰাৰ ৰূপায়ণ কৰি প্ৰতিখন গাঁও আৰু পৌৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি বা চাউল অমৃত কলহত সংগ্ৰহ কৰা হৈছিল।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় ৰাজ্য চৰকাৰৰ এটা অন্যতম অভিলাষী প্ৰকল্প আৰু এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব।

এই বিশ্ববিদ্যালয়খনক সকলো দিশতে আগশাৰীৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যাপ্ত পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিছে। ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বছৰজোৰা বিশেষ স্মৃতিচাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ৰাজহুৱা স্থানত বন্দে মাতৰমৰ পূৰ্ণ সংস্কৰণ গোৱা হ'ব আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত অংশগ্ৰহণ কৰিব।

অসমতো সকলো জিলা আৰু সম-জিলাত দেশ মাতৃৰ প্ৰতি সমৰ্পিত দেশভক্তি আৰু আধ্যাত্মিকতাৰ ভাবেৰে পূৰ্ণ বন্দে মাতৰমৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে গীতটি সমূহীয়াকৈ পৰিৱেশন কৰা হ'ব। দিছপুৰৰ জনতাভৱন চৌহদত এই উপলক্ষে আয়োজিত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

উল্লেখযোগ্য যে, বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে ১৮৭৫ চনৰ সাত নৱেম্বৰত বন্দে মাতৰম ৰচনা কৰিছিল। প্ৰথমবাৰ বংগদৰ্শন নামৰ সাহিত্যিক পত্ৰিকাত তেওঁৰ উপন্যাস আনন্দমঠৰ অংশ হিচাপে এই গীতটি প্ৰকাশ পাইছিল।

০০০০০০

ন্যায়াধীশ কৌশিক গোস্বামীয়ে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপত গ্ৰহণ কৰিব। উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা অনুষ্ঠানত ন্যায়াধীশ গোস্বামীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে কাৰ্যভাৰ গ্ৰহণৰ গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব।

০০০০০০

নৱেম্বৰ আৰু ডিচেম্বৰৰ ভিতৰত ৰাজ্য চৰকাৰৰ সকলো বিভাগৰে নিযুক্তি প্ৰক্ৰিয়া সমাপ্ত কৰা হ'ব। বিশেষকৈ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে উত্তীৰ্ণ প্ৰাৰ্থীসকলক পৰহিলৈ নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে নৱেম্বৰত কনিষ্ঠবল পদসমূহতো নিযুক্তি দিয়া হ'ব বুলিও জানিবলৈ দিয়ে। এই নিযুক্তিপত্ৰ বিতৰণৰ পিছদিনাই নতুনকৈ চাৰি হাজাৰ আৰক্ষীৰ পদত নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। একেদৰে অসম প্ৰত্যক্ষ নিযুক্তি

পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক নৱেম্বৰৰ শেষত বা ডিচেম্বৰৰ প্ৰথমভাগত নিযুক্তি দিয়া হ'ব। স্বাস্থ্য বিভাগৰ নিযুক্তিও এই মাহতে হ'ব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে চাহ বাগিচাৰ যুৱক-যুৱতীসকলক পাছত একেলগে নিযুক্তি পত্ৰ দিয়া হ'ব।

ইপিনে লণ্ডনৰ মিউজিয়ামত সংৰক্ষণ হৈ থকা বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ এই বিষয়ত আলোচনাৰ বাবে অহা ১৫ নৱেম্বৰত লণ্ডনলৈ যাব। লণ্ডন মিউজিয়াম কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত এখন চুক্তি স্বাক্ষৰ হোৱাৰ পাছত ছমাহৰ বাবে এই বস্ত্ৰখন অসমলৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

উচ্ছেদৰ প্ৰসংগ উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ৰাজ্যত অবৈধভাৱে দখলিকৃত ভূমিত উচ্ছেদ অভিযান চলি থাকিব। অহা ৯ আৰু ১০ নৱেম্বৰত গোৱালপাৰা জিলাৰ দহিকঁটা বনাঞ্চলত উচ্ছেদ চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৱাহাটীৰ লাচিত ঘাটত পৰহিলৈ আয়োজিত ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে সেইদিনা দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ নতুন পাৰ্কৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

নাগাৰা নামৰ অন্যতম শিল্পী ৰামচৰণ ভড়ালীৰ যোৱানিশা নলবাৰী জিলাৰ কুমাৰীকাটাৰ নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। ১৯৬৭ চনতে তেওঁ নাগাৰা নামৰ দল আৰম্ভ কৰি অসমৰ বিভিন্ন স্থানত নাগাৰা নাম পৰিৱেশন কৰি আহিছিল। ১৯৮৫ চনত তেওঁৰ প্ৰথম নাগাৰা নামৰ কেছেটে মুক্তি লাভ কৰে আৰু সাধাৰণ লোকৰ মাজত অতি জনপ্ৰিয় হৈ পৰে। অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰাৰ লগতে তেওঁ ২০১৭ চনত মোহন ভাইৰা শিল্পী বঁটাও লাভ কৰিছিল। ১০০ তকৈও অধিক নাগাৰা নামৰ দলক তেওঁ প্ৰশিক্ষণ দিছিল। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদকৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি। এনে কেইগৰাকীমান প্ৰাক্তন সতীৰ্থৰ স্মৃতি ৰোমন্থনেৰে মুখৰিত হ'ব কাইলৈ নিশা আকাশবাণীৰ ষ্টুডিঅ'। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

নলবাৰী ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি অসম প্ৰকাশন পৰিষদৰ উদ্যোগত জিলাখনৰ শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাংগণত কালিৰে পৰা অসম গ্ৰন্থ মেলা অনুষ্ঠিত হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই গ্ৰন্থমেলা উদ্বোধন কৰে। ডাঃ পেগুৱে  ৰাস মহোৎসৱত কৃষ্ণ লীলাৰ লগতে প্ৰজ্ঞাৰ চৰ্চা হোৱাতো এটা ইতিবাচক দিশ বুলি উল্লেখ কৰি সকলো লোককে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক অপূৰ্ব কুমাৰ শইকীয়াই কয়, যে বৰ্তমান সময়ত ইণ্টাৰনেট আৰু ই-বুকে গ্ৰন্থৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। কিতাপৰ জয়যাত্ৰা অব্যাহত ৰখাৰ দিশত লেখকৰ দায়িত্ব অপৰিসীম বুলি সাহিত্যিকগৰাকীয়ে উল্লেখ কৰে।

নলবাৰীৰ গৰ্ডন খেলপথাৰত ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি কালি ১০ হাজাৰৰো অধিক লোকে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই শিল্পীগৰাকীৰ বহুকেইটা গীতৰ অংশ পৰিৱেশন কৰে।

oooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত সন্দৰ্ভত তদন্তকাৰী গোটে জুবিন গাৰ্গৰ প্ৰাক্তন মেনেজাৰ তাৰছেম মিট্টালক চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ জাননী জাৰি কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ লগতে আৰ্থিক খেলি-মেলিৰ সৈতে বৰ্তমানৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ নাম সাঙোৰ খাইছিল। বৰ্তমান কাৰাৰুদ্ধ হৈ থকা সিদ্ধাৰ্থ শৰ্মাক তাৰছেম মিট্টালে জুবিন গাৰ্গৰ সৈতে চিনাকি কৰি দিয়াৰ লগতে নিযুক্তিও দিছিল। ইতিমধ্যে সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে বিত্তীয় অনিয়মকে ধৰি কেইবাটাও অভিযোগ লাভ কৰাৰ পাছতে তদন্তকাৰী গোটে তাৰছেম মিট্টালকো তদন্তৰ আওতালৈ আনি তলব কৰিছে।

oooooo

## News Paper REV

বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তীৰ আজি শুভাৰম্ভ, ছমাহৰ বাবে লণ্ডনৰ পৰা অসমলৈ আনিব বৃন্দাবনী বস্ত্ৰ, প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ মুখ্য তথ্য আয়ুক্তৰ পদ ত্যাগ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

বিহাৰ বিধানসভাৰ কালি সম্পন্ন হোৱা প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৬৪ দশমিক ৬-৬ শতাংশ ভোটদান হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি দেশজুৰি বিশেষ কাৰ্যসূচী আয়োজন কৰাৰ বাতৰিক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইয়াৰ সমান্তৰালভাৱে বন্দে মাতৰমক সাংস্কৃতিক ৰাষ্ট্ৰীয়তাবাদৰ প্ৰথম বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰাৰ বাতৰি অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা আদিৰ লগতে প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লণ্ডনৰ সংগ্ৰহালয়ত থকা বৃন্দাবনী বস্ত্ৰ ছমাহৰ বাবে অসমলৈ অনাৰ ব্যৱস্থা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ফে'চবুক লাইভ যোগে ঘোষণা কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতখনে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত নাম সোঙোৰ খোৱা শ্যামকানু মহন্তৰ জ্যেষ্ঠ ভাতৃ ভাস্কৰজ্যোতি মহন্তই কালি মুখ্য আয়ুক্তৰ পদ ত্যাগ কৰাৰ বাতৰি দৈনিক অসম আৰু দি আছাম ট্ৰিবিউন কাকতখনে সবিস্তাৰে প্ৰকাশ কৰিছে।

৫৬ সংখ্যক ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেল অব ইণ্ডিয়াৰ ইণ্ডিয়ান পেন'ৰামালৈ অসমীয়া ছবি ভাইমনদা নিৰ্বাচিত হোৱাৰ বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত  শিল্পীগৰাকীৰ প্ৰাক্তন মেনেজাৰ টাৰ্ছেম মিট্টালক এছ আই টিৰ আগত হাজিৰ হ'বলৈ তলব কৰাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ এটা বিশেষজ্ঞৰ দলে কালি ধেমাজিত উপস্থিত হৈ জিলাখনৰ শেহতীয়া আফ্ৰিকান ছোৱাইন ফিভাৰৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ঠাই বিশেষে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, আৰু নাগালেণ্ডৰ অঞ্চলবিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত